ভাৰত চৰকাৰ
বিধি, ন্যায় আৰু কোম্পানী কাৰ্য্য মন্ত্ৰালয়

# কচ্ছী মেমন্ অধিনিয়ম, ১৯৩৮

( ১৯৩৮ চনৰ ১০ নং অধিনিয়ম )

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান ]

# The Cutchi Memons Act, 1938

( Act No. 10 of 1938 )

[ As on the 25th November, 1992 ]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ ( বিধান বিভাগ ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান কচ্ছী মেমন্ অধিনিয়ম, ১৯৩৮ (১৯৩৮ চনৰ ১০ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত পাঠ আছে যি ১৯।৪।১৯৯৩ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ-৬, অনুভাগ ১, নং ১, খণ্ড ২, পৃষ্ঠা ৬০ ত প্ৰকাশিত হৈছিল ।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে এই প্ৰাধিকৃত পাঠ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত ই অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য হ'ব ।

# PREFACE

This edition of The Cutchi Memons Act, 1938 (10 of 1938) as on the 25th November, 1992 contains the authoritative text of that Act in Assamese which was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 2, dated 19th April, 1993, on page 60.

This authoritative text was published under the authority of the President under section 2, clause (a) of the Authoritative text (Central Laws) Act, 1973 and on such publication it became the authoritative text of that Act in Assamese.

New Delhi

Date :- 10.5.1993

P. Pramila Reddy,
Additional Legislative Counsel.

# কচ্ছী মেমন্ অধিনিয়ম, ১৯৩৮

## ধাৰাসমূহৰ ক্ৰম

ধাৰাসমূহ ঃ-

১। সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণি।

২। নিৰ্দিষ্ট বিষয়ত কচ্ছী মেমন্ সকল মুছলিম বিধিৰ দ্বাৰা শাসিত হব।

৪। নিৰসন।

# কচ্ছী মেমন্ অধিনিয়ম, ১৯৩৮

[১] ( ১৯৩৮ চনৰ ১০ নং অধিনিয়ম )

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথা বিদ্যমান ]

উত্তৰবৰ্ত্তিতা আৰু উত্তৰাধিকাৰৰ বিষয়ত সকলো কচ্ছী মেমন্ যাতে মুছলিম বিধিৰ দ্বাৰা শাসিত হয় তাৰ ব্যৱস্থা কৰাৰ্থে এখন অধিনিয়ম ।

[ ৮ এপ্ৰিল, ১৯৩৮ ]

যিহেতু উত্তৰবৰ্ত্তিতা আৰু উত্তৰাধিকাৰৰ বিষয়ত সকলো কচ্ছী মেমন্ মুছলিম বিধিৰ দ্বাৰা শাসিত হোৱাটো সমীচীন ; সেই হেতুকে নিম্নোক্ত ধৰণে অধিনিয়মিত কৰা হ'ল ঃ-

সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণি ।

১। (১) এই অধিনিয়মখন কচ্ছী মেমন্ অধিনিয়ম, ১৯৩৮ বুলি অভিহিত হ'ব ।

(২) এই খন ১৯৩৮ চনৰ ১ নবেম্বৰ তাৰিখৰ পৰা বলবৎ হ'ব ।

নিৰ্দ্দিষ্ট বিষয়ত কচ্ছী মেমন্ সকল মুছলিম বিধিৰ দ্বাৰা শাসিত হ'ব ।

২। ধাৰা ৩ৰ উপবন্ধ সমূহ সাপেক্ষে উত্তৰবৰ্ত্তিতা আৰু উত্তৰাধিকাৰৰ বিষয়ত সকলো কচ্ছী মেমন্ মুছলিম বিধিৰ দ্বাৰা শাসিত হব ।

৩। এই অধিনিয়মখনৰ একোৱেই ইয়াৰ প্ৰাৰম্ভণিৰ পূৰ্বে অৰ্জিত কোনো অধিকাৰ অথবা লব লগা কোনো দায়িত্বৰ সম্বন্ধত হোৱা কোনো বিধিক কাৰ্য্যবাহী বা প্ৰতিকাৰ প্ৰভাৱিত নকৰিব, আৰু এনে কোনো বিধিক কাৰ্য্যবাহী অথবা প্ৰতিকাৰ এনেদৰে চলি থাকিব বা বলবৎ হব যেন এই অধিনিয়ম পাৰিত হোৱাই নাই ।

নিৰসন ।

৪। ১৯৪২ চনৰ নিৰসন আৰু সংশোধনী অধিনিয়ম, ( ১৯৪২ ৰ ২৫ ) ৰ ২ ধাৰা আৰু অনুসূচী ১ৰ দ্বাৰা নিৰসিত হৈছে ।

১। বিহাৰ চৰকাৰৰ ১৯৪০ চনৰ ৩১ আগষ্ট তাৰিখৰ অধিসূচনা নং ১০৮৯/ ক/ -১৫/ ৪০ -জে আৰৰ দ্বাৰা কেতবোৰ সাল-সলনি সাপেক্ষে এই অধিনিয়ম খন সাওঁতাল পৰগণা জিলা আৰু ছোট নাগপুৰ বিভাগত প্ৰয়োগ কৰা হৈছে । উৰিষ্যা চৰকাৰৰ ১৯৪২ চনৰ ২৩ জুলাই তাৰিখৰ অধিসূচনা নং ২২৬৬ - ১১১ গ ১৪-৪১ -কমৰ দ্বাৰা উক্ত প্ৰদেশৰ আংশিকভাবে বহিৰ্ভূত সকলো অঞ্চলতো এই অধিনিয়ম প্ৰয়োগ কৰা হৈছে ।